**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। ৰাজ্যত বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বিতাড়ণৰ কাম পূৰ্বতকৈ দ্ৰুত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে শাসনাধিস্থ এন ডি এ মৰ্চাৰ প্ৰাৰ্থী চূড়ান্ত।

৩। পাৰমাণৱিক শক্তিৰ বিৰল পৰীক্ষা সফলতাৰে সম্পন্ন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষকৰ চমকপ্ৰদ সাফল্য।

৪। ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত।

৫। টাইৱানত অনুষ্ঠিত টাইৱান অপেন এথলেটিকছত অসমৰ অম্লান বৰগোহাঁইৰ ৪০০ মিটাৰ ৰীলেত সোণৰ পদক অৰ্জন।

০০০০০০

ৰাজ্যত বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বিতাৰণৰ কাম পূৰ্বতকৈ দ্ৰুত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি কেইবাটাও কাৰ্যসূচীৰে নলবাৰী জিলাত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে এতিয়াৰে পৰা বিদেশী ন্যায়াধীকৰণৰ আওতালৈ নিয়াৰ পৰিৱৰ্তে পোনপটীয়াকৈ জিলা আয়ুক্তসকলে নিৰ্দেশ যোগে এই লোকসকলক বহিস্কাৰ কৰিব পাৰিব। ইমিগ্ৰেণ্টছ্ এক্সপেল অৰ্ডাৰ শীৰ্ষক আইনৰ অধীনত এই কাম কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অৱশ্যে যিসকলৰ আদালতত গোচৰ চলি আছে তেওঁলোকৰ বিৰুদ্ধে ব্যাৱস্থা গ্ৰহণ কৰা নহয় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ শৰ্মাই কিছুদিন পূৰ্বে ৰাজ্যখনত বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰাৰ পাছতে ন্যায়ালয়ত আপিল নকৰা ৩০ হাজাৰ লোক থকা বুলি প্ৰকাশ কৰিছিল। এনেদৰে আপিল নকৰা লোকসকলক বহিষ্কাৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। গৃহ বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে প্ৰতিখন জিলাৰ প্ৰশাসনক বিদেশী চিনাক্তকৰণৰ বাবে কঠোৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

শাসনাধিস্থিত এন ডি এই অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে প্ৰাৰ্থী নাম চূড়ান্ত কৰিছে। বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই পুনৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পোনাকন বৰুৱাই কালি বৈশ্যৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ

কাইলৈ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছ্ন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০০০

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড° ভূপেন  হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এদল গৱেষকে পাৰমাণৱিক শক্তিৰ বিৰল পৰীক্ষা সফলতাৰে সম্পন্ন কৰি চমকপ্ৰদ সাফল্য কঢ়িয়াই আনিছে। গৱেষকৰ দলটোৱে পদাৰ্থৰ মৌলিক কণিকাৰ মাজত সংঘৰ্ষ ঘটাই এই অভিনৱ পৰীক্ষা সম্পন্ন কৰে। ইয়াৰ লগে লগে বিশ্ববিদ্যালয়খনে ছুপাৰকণ্ডক্টিং চাইক্ল'টন ব্যৱহাৰ কৰি পৰীক্ষা-নিৰীক্ষা চলোৱা দেশৰ প্ৰথমখন প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছে। এই অধ্যয়নৰ জৰিয়তে গধূৰ মৌলৰ সংশ্লেষণ বৃদ্ধি হোৱাৰ লগতে পাৰমাণৱিক ৰিয়েক্টৰ গঠনৰ সম্ভাৱনাৰ বাট প্ৰশস্ত কৰিব বুলি গৱেষকসকলে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য এই পৰীক্ষা পদাৰ্থৰ মৌলিক কণিকাৰ মাজত প্ৰচণ্ড সংঘৰ্ষ সংঘটিত কৰা হয়। ফলত পদাৰ্থৰ মৌলিক কণাবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কণালৈ বিভাজন ঘটে। এই প্ৰক্ৰিয়াত প্ৰচণ্ড শক্তি উৎপন্ন হয়। ক্ষুদ্ৰ অৱস্থাৰ পাৰমাণৱিক সংঘৰ্ষৰ এই বিৰল পৰীক্ষা সম্পন্ন কৰি গৱেষসকলে আহৰণ কৰা তথ্যই শক্তি উৎপাদনকে ধৰি পাৰমাণৱিক পদাৰ্থ বিজ্ঞান ক্ষেত্ৰখনক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।  কামৰূপ মহানগৰ জিলাত কালি বিয়লি বান আৰু ভূমিস্খলনৰ বাবে দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰ ৰাজ্যৰ প্ৰথম বান আৰু ভূমিস্খলনত বৰ্তমানলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পালে। এইবাৰ বানত ৰাজ্যখনৰ এহেজাৰৰো অধিক গাঁও আৰু প্ৰায় এহেজাৰ ২৫০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োগ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৩৬ হাজাৰতকৈ অধিক লোকে ১৩৩ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি পুনৰ আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যান্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত বিগত ছদিন ধৰি এই সেৱা বন্ধ ৰখা হৈছিল।

ৰাজ্যৰ অধিকাংশ জিলাত বৰষুণ কম হোৱাত ঘাই ঘাই নৈসমূহৰ জলপৃষ্ঠ হ্ৰাস পাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উজনি অসমৰ ঠাই বিশেষে মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বালিজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত আছে। ব্ৰহ্মপুত্ৰত জিঅ' বেগৰ মথাউৰিৰ এটা অংশ উটি যোৱাত নৈপৰীয়া লোকসকল আতংকিত হৈ পৰিছে। স্থানীয় লোকসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা

গ্ৰহণ নকৰালৈকে আজি পুৱাৰ ভাগলৈ ৰহমৰীয়া বালিজানত থকা তেলৰ খাদ বন্ধ কৰি ৰখাৰ ঘোষণা কৰা হয়। ডিব্ৰুগড়ৰ খহনীয়া সন্দৰ্ভত এয়া আমাৰ সংবাদাদাতা যাদৱ গগৈ---

**ভইচ (যাদৱ গগৈ)**

০০০০০০

সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত লোৱা পদক্ষেপ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। এনে পদক্ষেপৰ বাবে প্ৰতিগৰাকী নাগৰিকৰ দৈনন্দিন জীৱন কেনেদৰে সুচল, সুৰক্ষিত হৈ পৰিছে সেই বিষয়ে আমাৰ বিশেষ প্ৰতিবেদন---

**বাইট**

০০০০০০

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এন ডি এ চৰকাৰৰ এখন উল্লেখযোগ্য ধবজাবাহী আঁচনি হৈছে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি। অসমত এই আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি বিভাগৰ মুখ্য প্ৰৱন্ধক বিজয় শংকৰ বৰুৱাৰ সৈতে আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ এটা কথোপথন প্ৰচাৰ কৰা হ'ব।

০০০০০০

ৰাজ্য চৰকাৰে নতুনকৈ ৮১ খন গাঁও বিটিআৰত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। বিশ্বনাথ, শোণিতপুৰ, দৰং আৰু নলবাৰী জিলাৰ ৮১ খন গাঁও বিটিআৰত অন্তৰ্ভুক্ত কৰাৰ লক্ষ্যৰে ইতিমধ্যে চৰকাৰে অধিসূচনা জাৰি কৰিছে। বিটিআৰত নতুনকৈ অন্তৰ্ভুক্ত কৰিবলগীয়া গাঁওসমূহৰ খচৰা তালিকা প্ৰকাশ কৰা হৈছে। এই তালিকা সন্দৰ্ভত দল-সংগঠন অথবা ব্যক্তিৰ কোনো আপত্তি, মতামত অথবা দিহা-পৰামৰ্শ থাকিবলৈ অহা ১৩ জুন ভিতৰত সংশ্লিষ্ট জিলা আয়ুক্তৰ ওচৰত দাখিল কৰিব পাৰিব। জিলা আয়ুক্তসকলে এনে আপত্তি, মতামত আদিৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ পৰামৰ্শ তথা মন্তব্য সম্বলিত প্ৰতিবেদন ১৬ জুনৰ ভিতৰত চৰকাৰক জমা দিব লাগিব।

০০০০০০

অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ আৰক্ষীয়ে কালি তেজপুৰত অভিযান চলাই আন্তঃৰাজ্যিক পাৰপত্ৰ প্ৰস্তুতকাৰী চক্ৰ উৎখাত কৰে। আৰক্ষীৰ দলটোৱে এই অভিযানত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা বিভাগৰ কৰ্মচাৰী আশীষ ঘোষক গ্ৰেপ্তাৰ কৰে। তেজপুৰৰ গাৰোৱানপট্টীৰ নিবাসী আশীষ ঘোষে দীৰ্ঘদিন ধৰি নকল পাৰপত্ৰ প্ৰস্তুত কৰি অহাৰ অভিযোগ উত্থাপন হৈছিল। উল্লেখযোগ্য যে অসম-অৰুণাচল সীমান্ত ভালুকপুং চেকগে'টত আন্তঃৰাজ্যিক পাৰপত্ৰ পৰীক্ষা কৰাৰ সময়ত আৰক্ষীয়ে তাৰাং চক্ৰ বিষয়াৰ নকল স্বাক্ষৰ আৰু ছীল থকা পাৰপত্ৰ জব্দ কৰে। ইয়াৰ পাছতে ভালুকপুং আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। এই গোচৰৰ ভিত্তিতেই ভালুকপুং আৰক্ষীৰ এটা বিশেষ দলে তেজপুৰ আৰক্ষীৰ সহযোগত আশীষ ঘোষক আটক কৰে। আৰক্ষীয়ে অভিযানৰ সময়ত লেপটপ, মোবাইল ফোন, এটিএম কাৰ্ড, চেকবুক, নগদ ধনসহ বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ জব্দ কৰে।

০০০০০০

ৰাজ্যত এহেজাৰ ১০০ জন লোক মেলেৰিয়াত আক্ৰান্ত হোৱাৰ লগতে এই ৰোগৰ ফলত তিনিজন লোকৰ মৃত্যু হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বি টি আৰৰ পাঁচখন জিলাত মেলেৰিয়াৰ সংক্ৰমণ সৰ্বাধিক। ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ ৰাজ্যিক কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এপ্ৰিলৰ মাজভাগৰ পৰা বৰষুণ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মে'মাহৰ শেষ ভাগৰ পৰা ৰাজ্যৰ কেইবাখনো জিলাত মেলেৰিয়াৰ সংক্ৰণ বৃদ্ধি পায়। কোকৰাঝাৰ জিলাত সৰ্বাধিক ৮০২ জন লোক এই ৰোগত আক্ৰান্ত হৈছে আৰু ইয়াৰে দুজনৰ মৃত্যু হৈছে। চিৰাং জিলাত ২৬২ জন লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। বাক্সাত ১০ জন আৰু ওদালগুৰি জিলাত ১২ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে তামুলপুৰ জিলাত মেলেৰিয়াত আক্ৰান্ত হৈ এজন লোকৰ মৃত্যু হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে জুন মাহত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ সৰ্বাধিক হয় আৰু ই জুলাইলৈকে থাকে। স্বাস্থ্য বিভাগে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

গোৱালপাৰা জিলাৰ বাদুংডুপ্পা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক বিশিষ্ট নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাৰ সপ্তম মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কলাকেন্দ্ৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৱাই নাট্যকৰ্মী গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নাট্যকৰ্মীগৰাকীৰ সহধৰ্মীনি চিনা ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ অংশ হিচাপে ৰাভা জনগোষ্ঠীৰ ফাৰকান্তি নৃত্য আৰু নাম-কীৰ্তন কৰা হ'ব। বিয়লিৰ ভাগত টো-পয়দম নামৰ ৰাভা ভাষাৰ নাটক পৰিৱেশনেৰে নাট্য কৰ্মীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

০০০০০০

অহা ২০ জুনত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি বজালীৰ পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীত সদৌ অসম ভিত্তিক বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰাথমিকৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু নৱম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ হ'বলগীয়া প্ৰতিযোগিতাত প্ৰতিযোগীসকলে বিষ্ণু প্ৰসাদ ৰাভা ৰচিত আৰু সুৰাৰোপিত গীত পৰিৱেশন কৰিব পাৰিব। প্ৰতিযোগিতাত কোনো ধৰণৰ ভৰ্তি মাচুলৰ ব্যৱস্থা কৰা হোৱা নাই।

০০০০০০

টাইৱানত অনুষ্ঠিত টাইৱান অপেন এথলেটিকছত অসমৰ অম্লান বৰগোহাঁইয়ে ৪০০ মিটাৰ ৰীলেত সোণৰ পদক জয় কৰিছে। প্ৰতিযোগিতাৰ প্ৰথম দিনটোত ভাৰতে অংশ লোৱা আটাইকেইটা শিতানতে সোণৰ পদক জয় কৰে।

**পূজাই** কালি মহিলাৰ ১৫ মিটাৰ দৌৰত দেশৰ হকে প্ৰথমটো সোণৰ পদক অৰ্জন কৰে। **আব্দুল্লা আবু বাকেৰে** পুৰুষৰ ট্ৰিপল জাম্পত ১৬ দশমিক ২-১ মিটাৰ দূৰত্বলৈ জঁপিয়াই সোণৰ পদক লাভ কৰে। একেদৰে **জ্যোতি য়াৰাজিয়ে** মহিলাৰ এশ মিটাৰ হাৰ্ডলছত আৰু **তেজাশ শিৰ্হে** পুৰুষৰ ১১০ মিটাৰ হাৰ্ডলছত সোণৰ পদক অৰ্জন কৰে। ভাৰতে মহিলাৰ এশ মিটাৰ ৰীলে দৌৰত আনটো সোণৰ পদক লাভ কৰে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এদল গৱেষকে পদাৰ্থৰ কণিকাৰ মাজত সংঘৰ্ষ ঘটাই অভিনৱ পৰীক্ষা সম্পন্ন কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে **গুৱাহাটী বিশ্ববিদ্যালয়ত পাৰমাণৱিক শক্তিৰ বিৰল পৰীক্ষা** নামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

বাৰিষাৰ আগমনৰ লগে লগে ৰাজ্যত মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱা বুলি এটা বাতৰি সৰ্বাধিক কোকৰাঝাৰত, দ্বিতীয় স্থানত চিৰাং জিলা, এইপৰ্যন্ত আক্ৰান্ত এহেজাৰ ১০০ জন, মৃত তিনিজন, ৰাজ্যত মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি শিৰোনামেৰে দৈনিক অসম কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

শেহতীয়াকৈ অবৈধ বাংলাদেশীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান আৰম্ভ কৰাৰ সময়তে নলবাৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সম্পৰ্কে কৰা ঘোষণাৰ বাতৰিক দৈনিক জনমভূমি কাকতে **তীব্ৰগতিত চলিব বিদেশী বহিষ্কাৰৰ অভিযান** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। দা ছেণ্টিনেল কাকতেও বাতৰিটোৰ প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই চলাই থকা আক্ৰমণৰ বাতৰিক **ড্ৰোন-মিছাইলেৰে ইউক্ৰেইনত ভয়ংকৰ প্ৰত্যাঘাত ৰাছিয়াৰ** শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশ্ববেংকৰ প্ৰতিবেদন অনুসৰি ভাৰতত চৰম দৰিদ্ৰতাৰ হাৰ ৫ দশমিক ৩ শতাংশলৈ হ্ৰাস পোৱাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে **১১ বছৰত চৰম দৰিদ্ৰতাৰ পৰা মুক্ত ২৬ কোটি ৯ লাখ লোক** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত কংগ্ৰেছ দলত দুৰ্নীতি সংঘটিত হোৱা বুলি পৱন সিং ঘাটোৱাৰ নেতৃত্বাধীন তিনিজনীয়া তদন্ত কমিটিৰ প্ৰতিবেদনত তথ্য প্ৰকাশৰ বাতৰি অসমীয়া খবৰ কাকতে মুখ্য বাতৰিত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে গুৱাহাটীত ভূমিস্খলনে ভয়ংকৰ ৰূপধাৰণ কৰাৰ লগতে যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হ'ব পাৰে বুলি প্ৰশাসনে আশংকা প্ৰকাশ কৰা বাতৰিক মুখ্য বাতৰিত স্থান দিছে।

মেঘালয়ত ইন্দোৰৰ এগৰাকী মহিলা নিখোজ হোৱা ঘটনা সন্দৰ্ভত চিবিআইয়ে তদন্ত কৰাৰ বাবে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে গৃহমন্ত্ৰী অমিত শ্বাহক অনুৰোধ জনোৱাৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

কামৰূপৰ বাইহাটা চাৰিআলিৰ কলাজল নদীত তিনিজন কিশোৰৰ মৃতদেহ উদ্ধাৰ হৈছে। বন্ধুৰ সৈতে গা ধুবলৈ গৈ তিনিওজন কিশোৰ কালি সন্ধানহীন হৈছিল। এছ ডি আৰ এফে অভিযান চলাই তিনিওৰে মৃতদেহ উদ্ধাৰ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত